**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-12-2025 **Time :** 1100 Hrs.

0000000000

ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত শেহতীয়াকৈ সৃষ্টি হোৱা উদ্বেগৰ পৰিপ্ৰেক্ষিতত অসমৰো বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি কৰা হৈছে। প্ৰতিবেশী ৰাষ্ট্ৰখনত শেহতীয়াকৈ মৌলবাদী শক্তিৰ উত্থানৰ ফলত দুয়োদেশৰ পাৰস্পৰিক সম্পৰ্কৰ কিছু অৱনতি ঘটিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে কালি দিল্লীত থকা বাংলাদেশৰ উচ্চায়ুক্ত ৰিয়াজ হামিদুল্লাক আলোচনাৰ বাবে তলব কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে শেহতীয়াকৈ বাংলাদেশত এখন প্ৰতিবাদী সভাত বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ ঘনিষ্ঠ এজন ৰাজনৈতিক নেতাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক বিচ্ছিন্ন কৰাৰ ভাবুকি দিয়াৰ পাছতে দেশখনৰ উচ্চায়ুক্তক তলব কৰা হয়। মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টিকাৰী কেতবোৰ বিষয়ত বাংলাদেশৰ উচ্চায়ুক্তগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰোৱা হয়। কেন্দ্ৰীয় চৰকাৰে বাংলাদেশত ভাৰত বিৰোধী কাৰ্যকলাপ নীৰৱ দৰ্শক হৈ সহ্য নকৰে বুলিও উচ্চায়ুক্তগৰাকীক স্পষ্ট কৰি দিয়ে। কালি বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত একাংশ দুষ্কৃতিকাৰীয়ে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিপ্ৰেক্ষিতত উচ্চায়োগৰ নিৰাপত্তা ব্যৱস্থাও শক্তিশালী কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে দেশখনৰ যমুনাত থকা ভাৰতীয় ভিছা কাৰ্যালয় অনিৰ্দিষ্ট কাৰ্যালয়ৰ বাবে বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। উল্লেখযোগ্য যে ১৬ ডিচেম্বৰত ১৯৭১ চনৰ বাংলাদেশ মুক্তি যুদ্ধৰ বিজয় উৎসৱ উদযাপনৰ পাছতে ভাৰতে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ কেতবোৰ কূটাঘাতকাৰী শক্তিৰ কাম-কাজৰ প্ৰতি লক্ষ্য ৰাখি এই কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ বঁটা, ২০২৫-ৰ গ্ৰুপ ফ'ৰত অসমে প্ৰথম পুৰস্কাৰ লাভ কৰিছে। শক্তি মন্ত্ৰ্যালয়ৰ ব্যুৰ' অব্ এনাৰ্জী এফিচিয়েঞ্চিয়ে আগবঢ়োৱা এই বঁটাটো অসম চৰকাৰক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আনুষ্ঠানিকভাৱে প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই সফলতাৰ কথা প্ৰকাশ কৰাৰ লগতে এনে স্বীকৃতিয়ে শক্তি সংৰক্ষণ আৰু সেউজ ভৱিষ্যত নিশ্চিত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰা বুলি উল্লেখ কৰিছে।

০০০০০০০

বিশ্বনাথ জিলা প্ৰশাসনে কালি চতিয়াত অভিযান চলাই অবৈধভাৱে খাদ্য সামগ্ৰী মজুত কৰি ৰখা এখন চৰকাৰী সুলভ মূল্যৰ দোকান ছীল কৰে। চতিয়াৰ অশোক চাহু নামৰ সুলভ মূল্যৰ এজেণ্টগৰাকীয়ে দোকানত অবৈধভাৱে বুজন পৰিমাণৰ চাউল, চেনি আদি ৰখাৰ অভিযোগত দোকানখন ছীল কৰা হয়। এই অভিযান সন্দৰ্ভত জিলাখনৰ সহকাৰী আয়ুক্ত পুষ্পাংকৰ পাটিৰে এইদৰে কয় –

বাইট

০০০০০০০

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতীয় চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদীপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে **অসম কেশৰী** উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসমৰ জাতীয় জীৱনৰ বৰেণ্য সত্বা অসম কেশৰীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। স্বাধীনতা সংগ্ৰামৰ পৰা অসমীয়া ভাষা সাহিত্য তথা সমাজ-সংস্কৃতিলৈ ৰায়চৌধুৰীয়ে অমূল্য অৱদান আগবঢ়াই গৈছে বুলি তেওঁ উল্লেখ কৰে। অসম কেশৰীৰ স্বদেশ প্ৰেমৰ আদৰ্শই এখন সমৃদ্ধ অসম গঢ়াৰ বাবে প্ৰতিটো প্ৰজন্মক উৎসাহিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

শিৱসাগৰ জিলাৰ ভটিয়াপাৰ ৰূপহীমুখৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতিনিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আহত হয়। নিহত লোকজন শিৱসাগৰ বেতবাৰীৰ বিপুল হাতীমূৰীয়া বুলি চিনাক্ত কৰা হৈছে। আহত দুজনক শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ডঃ দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**